# Micro-Teaching Lesson Plan

## অণুশিক্ষণ পাঠ পৰিকল্পনা

### বিষয় : সমাজ বিজ্ঞান

### কৌশল: পাঠ অৱতাৰণা কৌশল (Introducing A Lesson)

**তথ্য চিনাক্তকৰণ :**

| | |
|---|---|
| **বিষয় :** সমাজ বিজ্ঞান<br>**পাঠ :** উন্নত জীৱনৰ প্ৰয়োজনসমূহ<br>**শ্ৰেণী :** ষষ্ঠ | **শিক্ষক প্ৰশিক্ষাৰ্থীৰ নাম :**<br>**সময় :** ৬ মিনিট<br>**তাৰিখ :** |

**শিক্ষণীয় সঁজুলি :**

- **সাধাৰণ সঁজুলি :** ব্লেকবৰ্ড, দাস্তাৰ
- **বিশেষ সঁজুলি :** ঘড়ী আৰু মোবাইল ।

| স্তৰ | শিক্ষকৰ কাৰ্য | শিক্ষাৰ্থীৰ কাৰ্য | উপকৌশল |
|---|---|---|---|
| প্ৰ<br>স্তা<br>ৱ<br>না | শিক্ষকে হাঁহি মুখেৰে শ্ৰেণী কোঠাত প্ৰৱেশ কৰি শিক্ষাৰ্থীসকলক সম্ভাষণ জনাব । প্ৰয়োজন অনুসাৰে তেওঁলোকৰ আসনসমূহ থানঠিত লগাব । তাৰ পাছতে লগত নিয়া সঁজুলিসমূহ টেবুলৰ একাষে ৰাখি ল'ব আৰু ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আকৰ্ষিত কৰিবলৈ যত্ন কৰিব । | ছাত্ৰ-ছাত্ৰীসকলে মনোযোগেৰে শুনিব । | প্ৰাৰম্ভিক মনোযোগ আকৰ্ষণ । |
| **স্তৰ** | **শিক্ষকৰ কাৰ্য** | **শিক্ষাৰ্থীৰ কাৰ্য** | **উপকৌশল** |
| বি<br>কা<br>শ | শিক্ষকজনে ছাত্ৰ-ছাত্ৰীসকলক ক'ব যে, আমি মূল বিষয়টি আলোচনা কৰাৰ আগতে তোমালোকৰ লগত কিছু কথা আলোচনা কৰিম । সেইবুলি কৈ শিক্ষক জনে ছাত্ৰ-ছাত্ৰীসকলক প্ৰশ্ন কৰিব –<br><br>১) মানুহৰ মৌলিক প্ৰয়োজন সমূহ কি কি ? | <br><br><br><br><br><br>অন্ন, বস্ত্ৰ আৰু বাসস্থান । | প্ৰাৰম্ভিক মনোযোগ আকৰ্ষণ ।<br><br><br><br><br>পূৰ্বজ্ঞানৰ ব্যৱহাৰ |

gyanshalatips.in

| | | | |
|---|---|---|---|
| বি কা শ | ২) আদিম যুগৰ মানুহৰ স্থায়ী বাসস্থান আছিলনে ?<br><br>৩) আদিম যুগৰ মানুহে কিহক আশ্ৰয় স্থল হিচাপে লৈছিল ?<br><br>শিক্ষকে ঘড়ী আৰু মোবাইল দেখুৱাই প্ৰশ্ন কৰিব –<br><br>১) ঘড়ী আৰু মোবাইল কি কি কামত ব্যৱহাৰ কঁৰো ?<br><br>২) আদিম যুগত ঘড়ী আৰু মোবাইলৰ ব্যৱস্থা আছিল নে ?<br><br>৩) মোবাইল আৰু ঘড়ী কিহৰ বাবে প্ৰয়োজন ? | নাছিল ।<br><br>পৰ্বতৰ গুহা, ডাঙৰ গছ-গছনিৰ তলত ।<br><br><br><br>উত্তৰ দিব চেষ্টা কৰিব<br><br>নাছিল<br><br>উন্নত জীৱনৰ বাবে প্ৰয়োজন । | পূৰ্বজ্ঞানৰ ব্যৱহাৰ<br><br>বিষয়বস্তুৰ লগত সু-সম্পৰ্ক স্থাপন । |
| **স্তৰ** | **শিক্ষকৰ কাৰ্য** | **শিক্ষাৰ্থীৰ কাৰ্য** | **উপকৌশল** |
| সা ম ৰি ণি | শিক্ষকে অৱতাৰণা কৰা প্ৰশ্নৰ সঠিক উত্তৰ পোৱাৰ পাছত ক'ব এইযে আমি এতিয়া আলোচনা কৰা সামগ্ৰীসমূহ এটি উন্নত জীৱনৰ বাবে প্ৰয়োজন হয় আৰু আজি আমি আলোচনা কৰিব লগা পাঠটোৰ নাম হ'ল –<br><br>" উন্নত জীৱনৰ প্ৰয়োজনসমূহ" (আমাৰ ব্যক্তিগত আৰু সামাজিক প্ৰয়োজন ) ।<br><br>এনেদৰে কৈ শিক্ষকে পাঠটোৰ নাম কৃষ্ণফলকত স্পষ্টকৈ লিখি দিব আৰু শিক্ষাৰ্থীসকলক লিখি ল'বলৈ ক'ব । | শিক্ষাৰ্থীসকলে শিক্ষকৰ কথাবোৰ মনোযোগেৰে শুনিব ।<br><br>পাঠটোৰ নাম টোকা বহীত লিখিব । | বিষয়বস্তুৰ লগত সম্পৰ্ক স্থাপন । |

gyanshalatips.in